# প্ৰতিবেদন

## অসমীয়া বিভাগ

## পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়

### শৈক্ষিক বক্তৃতানুষ্ঠান

দিনাংক : ১৫ অক্টোবৰ ২০২২

পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ সভাকক্ষত “সাম্প্ৰতিক অসমীয়া কবিতা” শীৰ্ষক এটি শৈক্ষিক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিভাগৰ সহকাৰী অধ্যাপক বিজয়লক্ষ্মী দাসে আঁত ধৰা অনুষ্ঠানটোৰ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ দত্তই। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° বিভা দত্ত। তেওঁ সাম্প্ৰতিক অসমীয়া কবিতাৰ পটভূমি, বিকাশ আৰু সাম্প্ৰতিক অসমীয়া কবিতাত প্ৰতিফলিত বিভিন্ন দিশ সম্পৰ্কে এক গৱেষণালব্ধ বক্তৃতা দাঙি ধৰে। বক্তৃতাৰ শেষত শিক্ষাৰ্থীসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানৰ শেষত ড° ৰাখী দেওধাই ফুকনে শলাগৰ শৰাই আগঢ়ায়।






